# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-JAN-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------
ooooo

১। বিকাশৰ অনুৰূপ গতি অব্যাহত থাকিলে অসমে দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ তালিকাত স্থান লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ।

২। সৰ্বভাৰতীয় ব্যাঘ্ৰ গণনা প্ৰক্ৰিয়া ২০২৬ৰ অংশ হিচাপে মানাহ্‌ ৰাষ্ট্ৰীয় উদ্যানত বাঘ গণনা প্ৰক্ৰিয়া অব্যাহত।

৩। বিভাগীয় নিৰ্দেশ অমান্য কৰাৰ বাবে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ ৩৮ গৰাকী অধ্যক্ষ আৰু প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি।

**আৰু**

৪। অসম গ্ৰন্থমেলাৰ আজি সামৰণিৰ দিনা অগণন লোকৰ সমাগম।

ooooo

বিগত কেইবছৰমানত ৰাজ্যখনত কৃষি, উদ্যমিতা আৰু সমাজ কল্যাণকে প্ৰতিটো খণ্ডত যথেষ্ট বিকাশ হৈছে আৰু বিকাশৰ এই গতি ১০ বছৰলৈ অব্যাহত থাকিলে অসমে দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ তালিকাত স্থান লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মহিলাসকলৰ মাজত চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে আজি বোকাখাত বিধানসভা সমষ্টিৰ অধীনৰ আত্মসহায়ক গোটৰ ২৭ হাজাৰ ১৬৬ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। তেওঁ কয় যে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাই ৰাজ্য চৰকাৰ মূল লক্ষ্য। বোকাখাতৰ জেনেৰেল ষ্টেডিয়ামত আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ৰাজ্যৰ ৫৫টা সমষ্টিত আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰিছে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ আগেয়ে অঞ্চলটোত লোকনিৰ্মাণৰ বিভাগৰ অধীনত পথ আৰু গৃহ, জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ ২২টা প্ৰকল্প উদ্বোধন কৰে। জলসিঞ্চন

বিভাগৰ অধীনত ৭৭ কোটি ৫৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া ১৮টা প্ৰকল্পৰো আজি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰে।

০০০০০

সৰ্বভাৰতীয় ব্যাঘ্ৰ গণনা প্ৰক্ৰিয়া ২০২৬ৰ অংশ হিচাপে মানাহ ৰাষ্ট্ৰীয় উদ্যানতো বাঘ গণনা প্ৰক্ৰিয়া চলি আছে। যোৱা মাহৰ শেষ ভাগৰ পৰা আৰম্ভ হোৱা বাঘ গণনা প্ৰক্ৰিয়া এই মাহৰ শেষলৈ এমাহজোৰা কাৰ্যসূচীৰে চলিব। মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ বাঁহবাৰী, ভূঞাপাৰা, পানবাৰী আৰু কুকলুঙকে ধৰি মুঠ চাৰিটা সংমগুলত বিভাগীয় লোকসলকৰ তত্বাৱধানত ট্ৰেপিং কেমেৰা স্থাপন কৰি বাঘ গণনা প্ৰক্ৰিয়া অব্যাহত আছে। এই গণনা প্ৰক্ৰিয়াৰ অন্তত মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পত বাঘৰ সংখ্যা চলিত বৰ্ষত কিমান বৃদ্ধি পালে সেই তথ্য প্ৰকাশ কৰা হ'ব। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে মানাহ ব্যাঘ্ৰ প্ৰকল্পত বাঘ গণনাৰ বাবে মুঠ ৪০০টা কেমেৰা সংস্থাপন কৰা হৈছে আৰু পূৰ্বৰ তুলনাত বাঘৰ সংখ্যা বৃদ্ধি পাব বুলি তেওঁলোকে আশা প্ৰকাশ কৰিছে।

**বাইট**

০০০০০

**বিভাগীয় নিৰ্দেশ অমান্য কৰাৰ বাবে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দিপীকা চৌধুৰীয়ে জিলাখনৰ ৩৮ গৰাকী অধ্যক্ষ আৰু প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰী কৰিছে। এনে নিৰ্দেশৰ জৰিয়তে অধ্যক্ষ, প্ৰধান শিক্ষকসকলক দুদিনৰ ভিতৰত লিখিত ভাবে কাৰণ দৰ্শাবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে , যোৱা ১ জানুৱাৰীত উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন গুৰুত্বপূৰ্ণ সভাৰ আহ্বান কৰা হৈছিল। এই সভাত শিক্ষানুষ্ঠানসমূহৰ সকলো অধ্যক্ষ আৰু প্ৰধান শিক্ষকক উপস্থিত থাকিবলৈ বিভাগীয়ভাবে নিৰ্দেশনা দিয়া হৈছিল। এনে নিৰ্দেশৰ পিছতো ৩৮ গৰাকী অধ্যক্ষ আৰু প্ৰধান শিক্ষক সভা খনত অনুপস্থিত থাকে। অনুমতি বিহীনভাবে ৩৮ গৰাকী অধ্যক্ষ, প্ৰধান শিক্ষক অনুপস্থিত থকাটো পোহৰলৈ অহাৰ পিছতে বিদ্যালয়সমূহৰ পৰিদৰ্শক দিপীকা চৌধুৰীয়ে তেওঁলোকলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰী কৰি দুদিনৰ ভিতৰত অৰ্থাৎ ৮ জানুৱাৰীৰ ভিতৰত লিখিত উত্তৰ দাখিল কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।**

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি সামৰণি পৰিব। অসম গ্ৰন্থমেলাৰ উদ্যোক্তাসকলে প্ৰকাশ কৰা মতে এইবাৰ গ্ৰন্থমেলাত গ্ৰন্থ বিক্ৰীৰ হাৰ আশাব্যঞ্জক আছিল। কালি ত্ৰয়োদশ দিনালৈ গ্ৰন্থমেলাত মুঠ ৬ কোটি ৮০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। আজি বিয়লি গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ওড়িশাৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত লেখক-সাহিত্যিক অৰূপ

কুমাৰ দত্ত, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী আৰু সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। সন্ধিয়া গ্ৰন্থমেলাৰ বাকৰিত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত অহা দেওবাৰে সংহত ন্যায়িক আদালত ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই অনুষ্ঠানত দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্বল ভূঞা, ন্যায়াধীশ সন্দীপ মেহতা, ন্যায়াধীশ এন ক'টিশ্বৰ সিং আৰু ন্যায়াধীশ বিজয় বিষ্ণয়, আইন আৰু ন্যায় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আজি দুগৰাকী পাৰিষদক দুটাকৈ বিভাগৰ দায়িত্ব অৰ্পণ কৰে। ২৭ নম্বৰ নাগ্ৰীজুলি সমষ্টিৰ পাৰিষদ লক্ষী দাসক মীন, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ তত্বাৱধায়ক ৰূপে নিযুক্তি দিছে। একেদৰে পাৰিষদ কামেশ্বৰ ৰয়ক ভূমি সংৰক্ষণ আৰু উদ্যানশস্য বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়।

০০০০০

**পঞ্চায়ত প্ৰতিনিধি সকলৰ দক্ষতা বৃদ্ধিৰ বাবে বৰপেটা বিধানসভা সমষ্টিৰ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলৰ আজি এ খন কৰ্মশালা ৰ অনুষ্ঠিত হয়। বৰপেটা জিলা পুথিভঁৰালত অনুষ্ঠিত এই কৰ্মশালাৰ জৰিয়তে পঞ্চায়ত প্ৰতিনিধি সকলক তেওলোকৰ দায়িত্ব আৰু কৰ্মৰ বিষয়ে বিভাগীয় বিষয়া তথা সমল ব্যক্তি সকলে প্ৰশিক্ষণ প্ৰদান কৰে। এই কৰ্মশালাত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰনজিৎ কুমাৰ দাস মুখ্য অতিথি হিচাপে ভাগ লয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীগৰাকীয়ে নিৰ্বাচিত প্ৰতিনিধি সকলৰ পৰা তেওঁলোকৰ কামকাজৰ বুজ লোৱাৰ লগতে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে কেনেদৰে আঁচনি গ্ৰহণ কৰি আগুৱাই যাব পাৰি, সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া যুগকৃষ্ণ ৰাজবংশীয়ে কৰ্মশালাখনত অংশগ্ৰহণ কৰি, নতুন চিন্তাৰ এনে প্ৰশিক্ষণ ব্যৱস্থাই পঞ্চায়তবোৰক শক্তিশালী কৰাৰ লগতে গ্ৰামাঞ্চলৰ উন্নয়নক অধিক ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।**

০০০০০

কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি নৱনিযুক্ত জিলা আয়ুক্ত স্বপ্নীল পালে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ সৈতে মত বিনিময় কৰে। জিলা আয়ুক্তগৰাকীয়ে বিষয়া-কৰ্মচাৰীসকলক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিৰ্ধাৰিত কাম সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি সকলোৰে সৈতে নম্ৰ ব্যৱহাৰ কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলক একাগ্ৰতা আৰু নিষ্ঠাৰে নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। এই মত বিনিময় অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত পাৰিজাত ভূঞা, অতিৰিক্ত আয়ুক্ত কেচিঅ'

কৰণ পেগু, কংকন শৰ্মা, নিৰ্বাচনী বিষয়া মানসজ্যোতি বৰা, সহকাৰী আয়ুক্তসকলৰ লগতে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকলো উপস্থিত থাকে।

ooooo

সমাপ্ত